Total No. of Printed Pages—7

**6 SEM TDC DSE ASM (CBCS)**
**2 (H) (A/B/C/D/E)**

**2025**

( May )

ASSAMESE

( Discipline Specific Elective )

( For Honours )

Paper : DSE–2

**[ Special Author : (A) Bhupen Hazarika**
**(B) Bhabendra Nath Saikia**
**(C) Birendra Kr. Bhattacharya**
**(D) Mamoni Raisom Goswami**
**(E) Nirupoma Borgohain ]**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**(A)**

**( বিশেষ লেখক : ভূপেন হাজৰিকা )**

১। ভূপেন হাজৰিকাৰ জীৱন পৰিক্ৰমাৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখাঁ। ১৬

২। যি কোনো **চাৰিটাৰ** উত্তৰ কৰিবা : ১৬×৪=৬৪

(ক) অসমীয়া গীতিসাহিত্যত ভূপেন হাজৰিকাৰ স্থান নিৰ্ণয় কৰি এটি নিবন্ধ লিখাঁ।

(খ) "শোষিত আৰু নিপীড়িত মানুহৰ মুকুতিৰ উদ্দেশ্যে তেওঁ ৰচনা কৰা গীতসমূহত নিহিত হৈ আছে গভীৰ মানৱ-প্ৰেমৰ সুৰ।" ভূপেন হাজৰিকাৰ গীতৰ আধাৰত কথাষাৰৰ যথাৰ্থতা বিচাৰ কৰাঁ।

(গ) এজন কবিৰূপে ভূপেন হাজৰিকাৰ কাব্যকৃতিৰ মূল্যায়ন কৰাঁ।

(ঘ) আত্মজীৱনীৰূপে 'মই এটি যাযাবৰ'-ৰ সাহিত্যিক মূল্যায়ন কৰাঁ।

(ঙ) ভূপেন হাজৰিকাৰ ৰচনাত সাম্যবাদৰ আদৰ্শ কেনেকৈ ফুটি উঠিছে, উদাহৰণসহ বিচাৰ কৰাঁ।

(চ) অসমৰ সংবাদজগতলৈ ভূপেন হাজৰিকাই আগবঢ়োৱা বৰঙণি সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰাঁ।

(ছ) "অসমৰ সাংস্কৃতিক ক্ষেত্ৰলৈ ভূপেন হাজৰিকাৰ আছে বৈচিত্ৰ্যময় তথা বহুমুখী অৱদান"—কথাষাৰ বিচাৰ কৰাঁ।

## (B)

### ( বিশেষ লেখক : ভবেন্দ্ৰনাথ শইকীয়া )

১। ভবেন্দ্ৰনাথ শইকীয়াৰ জীৱন আৰু কৃতি সম্পৰ্কে এটি নিবন্ধ লিখাঁ। ৮+৮=১৬

২। যি কোনো **চাৰিটাৰ** উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) 'ৰম্যভূমি' উপন্যাসৰ মূল চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(খ) অসমীয়া চলচ্চিত্ৰ জগতলৈ ভবেন্দ্ৰনাথ শইকীয়াই আগবঢ়োৱা অৱদানৰ এটি আভাস দিয়াঁ।

(গ) 'অন্তৰীপ' উপন্যাসৰ বিষয়বস্তুৰ আভাস দি উপন্যাস হিচাপে ইয়াৰ মূল্য নিৰূপণ কৰাঁ।

(ঘ) আত্মজীৱনী হিচাপে 'জীৱন-বৃত্ত'-ৰ বিশিষ্টতা নিৰূপণ কৰি এটি টোকা যুগুত কৰাঁ।

(ঙ) "অধিকভাগ গল্পতে সমাজৰ সৰ্বসাধাৰণ মানুহৰ দুখ-দাৰিদ্ৰ্য, অভাৱ-অনাটনৰ অনুভূতিশীল নিখুঁত চিত্ৰ তেখেতৰ গল্পত পোৱা যায়।" ভবেন্দ্ৰনাথ শইকীয়াৰ গল্পৰ আধাৰত কথাষাৰ বিচাৰ কৰাঁ।

(চ) "পোনপটীয়া, প্ৰাঞ্জল আৰু সাৱলীল ভাষাৰে মনৰ কথা সকলো শ্ৰেণীৰ পঢ়ুৱৈয়ে বুজিব পৰাকৈ প্ৰকাশ কৰাৰ বিৰল ক্ষমতাৰ অধিকাৰী আছিল ভবেন্দ্ৰনাথ শইকীয়া।" ভবেন্দ্ৰনাথ শইকীয়াৰ গদ্য ৰচনাৰ আধাৰত কথাষাৰ বিচাৰ কৰাঁ।

(ছ) ভবেন্দ্ৰনাথ শইকীয়াৰ শিশু-সাহিত্য সম্ভাৰৰ বিষয়ে এটি পৰিচয়মূলক টোকা লিখাঁ।

## (C)

( বিশেষ লেখক : বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য )

১। বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ সাহিত্যকৰ্মৰ এক সামগ্ৰিক খতিয়ান আগবঢ়োৱাঁ। ১৬

২। যি কোনো **চাৰিটাৰ** উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) "তেওঁৰ প্ৰায়ভাগ উপন্যাসেই সামাজিক চেতনাসম্ভূত।" বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ উপন্যাসৰাজিৰ আধাৰত কথাষাৰ বিচাৰ কৰাঁ।

(খ) হিংসা আৰু অহিংসাৰ দ্বন্দ্ব 'মৃত্যুঞ্জয়' উপন্যাসত কেনেদৰে প্ৰকাশ পাইছে, উদাহৰণসহ আলোচনা কৰাঁ।

(গ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ চুটিগল্পত মানৱীয় চেতনাৰ কেনেকৈ প্ৰতিফলন হৈছে, আলোচনা কৰাঁ।

(ঘ) এজন সংবাদকৰ্মীৰূপে বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যই অসমৰ সংবাদক্ষেত্ৰলৈ আগবঢ়োৱা অৱদানৰ মূল্যায়ন কৰাঁ।

(ঙ) 'ইয়াৰুইংগম' উপন্যাসৰ বিষয়বস্তু সম্পৰ্কে এটি পৰিচয়মূলক টোকা প্ৰস্তুত কৰাঁ।

(চ) বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ গল্পসমূহৰ এক সামগ্ৰিক মূল্যায়ন আগবঢ়োৱাঁ।

(ছ) অসমীয়া নাট্যজগতলৈ বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ অৰিহণা সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

## (D)

( বিশেষ লেখক : মামণি ৰয়ছম গোস্বামী )

১। মামণি ৰয়ছম গোস্বামীৰ সাহিত্যকৃতিৰ এক সামগ্রিক পৰিচয় আগবঢ়োৱাঁ। ১৬

২। যি কোনো **চাৰিটাৰ** উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) 'দঁতাল হাতীৰ উঁয়ে খোৱা হাওদা'-ত প্ৰতিফলিত সমকালীন সমাজ-জীৱন সম্পৰ্কে এটি আলচ যুগুত কৰাঁ।

(খ) "জীৱনৰ বাস্তৱ অভিজ্ঞতাৰ ভেঁটিত ৰচিত হৈছে তেওঁৰ গোটেইকেইখন উপন্যাস।" মামণি ৰয়ছম গোস্বামীৰ উপন্যাসৰাজিৰ আধাৰত কথাষাৰ বিচাৰ কৰাঁ।

(গ) 'নীলকণ্ঠী ব্ৰজ'-ৰ মূল চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(ঘ) মামণি ৰয়ছম গোস্বামীৰ গদ্যশৈলী সম্পৰ্কে এটি টোকা লিখাঁ।

(ঙ) "ড০ গোস্বামীৰ আত্মজীৱনী 'আধালেখা দস্তাবেজ'-এ তেওঁৰ সাহসী আৰু নিৰ্ভীক ব্যক্তিত্বৰ স্বাক্ষৰ বহন কৰে।" আত্মজীৱনীখনিৰ আধাৰত মন্তব্যটিৰ যথাৰ্থতা বিচাৰ কৰাঁ।

( Turn Over )

(চ) "মানৱীয় যন্ত্ৰণা আৰু সমাজৰ নৈতিক অৱক্ষয় মামণি ৰয়ছম গোস্বামীৰ বেছিভাগ গল্পৰে প্ৰধান বিষয়বস্তু।" ব্যাখ্যা কৰাঁ।

(ছ) এগৰাকী মানৱতাবাদী লেখিকা হিচাপে মামণি ৰয়ছম গোস্বামীৰ সাহিত্যৰাজিৰ মূল্যায়ন কৰাঁ।

## (E)

### ( বিশেষ লেখক : নিৰুপমা বৰগোহাঞি )

১। নিৰুপমা বৰগোহাঞিৰ জীৱন আৰু কৃতি সম্পৰ্কে এটি পৰিচয় আগবঢ়োৱাঁ। ৮+৮=১৬

২। যি কোনো **চাৰিটাৰ** উত্তৰ কৰিবাঁ : ১৬×৪=৬৪

(ক) "নিৰুপমা বৰগোহাঞিৰ লেখনিত নাৰীবাদী দৃষ্টিভঙ্গী আৰু নাৰী মুক্তিৰ আদৰ্শ ৰূপায়ণ হোৱা দেখা যায়।" কথাষাৰ বিচাৰ কৰাঁ।

(খ) 'অন্য জীৱন' উপন্যাসৰ অণিমা চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(গ) নিৰুপমা বৰগোহাঞিৰ গল্পৰ বৈশিষ্ট্যসমূহ আলচ কৰি এটা প্ৰবন্ধ প্ৰস্তুত কৰাঁ।

(ঘ) 'সেই নদী নিৰৱধি' উপন্যাসৰ মূল চৰিত্ৰটো বিশ্লেষণ কৰাঁ।

(ঙ) 'অভিযাত্ৰী' উপন্যাসৰ বিষয়বস্তু সম্পৰ্কে এটি টোকা প্ৰস্তুত কৰা।

(চ) 'বিশ্বাস আৰু সংশয়ৰ মাজেদি' গ্ৰন্থখনিৰ বিষয়ে এক পৰিচয়মূলক টোকা লিখা।

(ছ) 'ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ' উপন্যাসত প্ৰকাশিত নাৰী জীৱনৰ যন্ত্ৰণা আৰু বিৱশতা সম্পৰ্কে এটি আলচ যুগুত কৰা।

★★★